জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮০৩/২০২০**

# মাজুলীৰ বাঘৰগাঁৱত আয়োজিত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা মহোৎসৱত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ভগৱান শ্ৰীকৃষ্ণ আৰু গুৰুদুজনাৰ আদৰ্শৰে নৱপ্ৰজন্মক শক্তিশালী মানৱীয় চেতনাৰে জীৱনৰ বাট বুলিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৯ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীৰ বাঘৰগাঁও সতী ৰাধিকা নাট্য মন্দিৰত আয়োজিত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰাৰ লগতে ৰাসলীলা উপভোগ কৰে।

ৰাসলীলা উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে মানৱীয় প্ৰমূল্যবোধেৰে এখন শক্তিশালী সমাজ নিৰ্মাণৰ বাবে ৰাস মহোৎসৱৰ এই শুভক্ষণতে সকলোকে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়। ভক্তিৰ যোগেদি সমাজ শক্তিশালী হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমান সময়ত দিনক-দিনে কমি অহা মানৱীয় চেতনা পুনৰ ঘূৰাই অনাৰ বাবে ভগৱান শ্ৰীকৃষ্ণ তথা গুৰুদুজনাৰ আধ্যাত্মিক বাণীৰে জীৱনৰ বাটত শক্তিশালীভাৱে আগবঢ়াৰ বাবেও আহ্বান জনায়। বিজ্ঞান আৰু প্ৰযুক্তিৰ এই প্ৰতিযোগিতামুখী বাতাৱৰণত মানৱীয় চেতনাবোধ যাতে অক্ষুণ্ণ থাকে তাৰ বাবে সকলোৰে কৃষ্ণ সংস্কৃতিৰ আদৰ্শৰে আগবাঢ়িব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। যি সমাজত মানৱীয় প্ৰমূল্যবোধ বিৰাজমান তেনে সমাজতহে শৃংখলাবদ্ধতা, মানৱতা প্ৰতিষ্ঠা হয় বুলি উল্লেখ কৰি নৱপ্ৰজন্মক এই ৰাসলীলাৰ দৰে কৃষ্টি-সংস্কৃতি ভৱিষ্যতেও অটুট ৰাখি সমাজ গঢ়াৰ কামত বৰঙনি যোগাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰত আয়োজিত ৰাস মহোৎসৱতো অংশ গ্ৰহণ কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**২৯/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in